# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-10-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::**

নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ উপৰি অসমৰ ৫ টাকে ধৰি দেশৰ ৪৮ বিধানসভা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। এই অনুসৰি অসমৰ ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত নিৰ্বাচন হ'ব। সেইদিনাখনেই ৱাইনাড সংসদীয় আসনখনৰ বাবেও উপ নিৰ্বাচন অনুষ্ঠিত হ'ব।

আনহাতে, মেঘালয়ৰ এখন আৰু চিকিমৰ দুখন বিধানসভা আসনৰ বাবে উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। ইপিনে, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰত নন্দেৰ বিধানসভা আসনৰ বাবে ২০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইপিনে, মহাৰাষ্ট্ৰত এটা পৰ্যায়ত ২০ নৱেম্বৰত আৰু ঝাৰখণ্ডত ২ টা পৰ্যায়ত ১৩ আৰু ২০ নৱেম্বৰত বিধানসভা নিৰ্বাচন অনুঠিত হ'ব। নতুন দিল্লীত আজি নিৰ্বাচনৰ সূচী ঘোষণা কৰি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, অহা ২২ অক্টোবৰত ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু অহা ২৯ অক্টোবৰ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পৰা যাব। ঝাৰখণ্ডত অহা ১৮ অক্টোবৰত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৫ অক্টোবৰ পৰ্যন্ত প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব পাৰিব। দ্বিতীয় পৰ্যায়ৰ বাবে ৰাজ্যখনত ২২ তাৰিখে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৯ অক্টোবৰলৈ মনোনয়ন দাখিল কৰিব পাৰিব। ০০০

০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘ অৰ্থাৎ আই টি ইউৰ বিশ্ব দূৰসংযোগ মান নিৰ্ধাৰণ সভা ২০২৪ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰে। এই অনুষ্ঠানৰ অংশ হিচাপে আজি সন্ধিয়া কেন্দ্ৰীয় চৰকাৰৰ দূৰসংযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ অধ্যক্ষতাত অনুষ্ঠিত ৰাজ্যসমূহত তথ্য প্ৰযুক্তি মন্ত্ৰীসকলৰ সন্মিলনত ৰাজ্য তথ্য প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে গুৱাহাটীৰ সমীপৰ সোণাপুৰত এটা অত্যাধুনিক মোবাইল আৰু টেলিকম সামগ্ৰী উৎপাদন কেন্দ্ৰ স্থাপনৰ লগতে অসমৰ শিক্ষিত যুৱক-যুৱতীসকলে টেলিকম খণ্ডত সেৱা আগবঢ়াব পৰাকৈ তেওঁলোকৰ দক্ষতা বৃদ্ধিৰ সুযোগ দিয়াৰ বাবে মন্ত্ৰীগৰাকীয়ে মন্ত্ৰী শ্ৰীসিন্ধিয়াক অনুৰোধ জনায়। তদুপৰি অসমত এতিয়াও মোবাইল নেটৱৰ্কে সামৰি নোলোৱা পাহাৰীয়া জিলা, চৰ অঞ্চল আৰু সীমান্তৱৰ্তী এলেকাৰ ২১৯ খন গাওঁত শীঘ্ৰে মোবাইল তথা ইণ্টাৰনেট সেৱা উপলব্ধ কৰোৱাৰ বাবেও শ্ৰীমহন্তই অনুৰোধ জনায়। ভাৰত নেটৰ প্ৰথম পৰ্যায়ত অন্তৰ্ভুক্ত নোহোৱা অৱশিষ্ট

এহেজাৰ ৫৫ খন গাওঁ পঞ্চায়তক পৰৱৰ্তী পৰ্যায়ত সামৰি লৈ দ্ৰুত গতিৰ ইণ্টাৰনেট সেৱা প্ৰদানৰ বাবেও মন্ত্ৰী শ্ৰীমহন্তই মন্ত্ৰালয়ক আহ্বান জনাইছে। আনহাতে, দূৰ সংযোগ বিভাগে নগাওঁ জিলাৰ ভিতৰুৱা দাবলং গাওঁক 5-G ইণ্টেলিজেন ভিলেজৰূপে গঢ়ি তুলি উন্নত ইণ্টাৰনেট নেটৱৰ্ক তথা তথ্য প্ৰযুক্তি সেৱা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণৰ বাবে তেওঁ দূৰ সংযোগ মন্ত্ৰালয়ক ধন্যবাদ জ্ঞাপন কৰে। এই সন্মিলনত মেঘালয় আৰু অৰুণাচলৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা আৰু পেমা খাণ্ডু উপস্থিত থাকে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি বিদ্যালয় শিক্ষা বিভাগ আৰু অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বোৰ্ডৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰি স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক নিযুক্তিৰ বাবে টেট তথা নিযুক্তি পৰীক্ষা প্ৰক্ৰিয়া পৰ্যালোচনা কৰে। অহা ২১ অক্টোবৰত www.madhyamik.assam.gov.in ৱেৱছাইটযোগে স্নাতক শিক্ষকৰ ৮ হাজাৰ ২৩০ টা আৰু স্নাতকোত্তৰ শিক্ষকৰ এহেজাৰ ৪৮৭ টা পদৰ বাবে অনলাইন আবেদন গ্ৰহণ আৰম্ভ হ'ব।

০০০০

আকাশবাণী গুৱাহাটীৰ কথাশিল্প অনুষ্ঠানত প্ৰচাৰ কৰিবলগীয়া ড° ৰুবুল মাউতৰ মোৰো এটা সপোন আছে নামৰ গ্ৰন্থখনৰ ধাৰাবাহিক পাঠৰ শীৰ্ষ গীতৰ প্ৰতিযোগিতাত লখিমপুৰৰ ইউৰেকা কাকতি চূড়ান্ত  বিজয়ী হৈছে। আনহাতে, গুৱাহাটীৰ অসম জাতীয় বিদ্যালয়ৰ গহনা চক্ৰৱৰ্তীয়ে বিচাৰকৰ বিশেষ বঁটা লাভ কৰিছে। উল্লেখযোগ্য যে নৱেম্বৰ মাহৰ পৰা এই গ্ৰন্থখনৰ ধাৰাবাহিক পাঠ প্ৰচাৰ কৰা হ'ব।

০০০০

অসম চৰকাৰে আয়োজন কৰা দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণত অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পৰাকৈ কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে জিলাখনৰ সকলো শিক্ষানুষ্ঠানলৈ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি dsywassam.com/khel2.0 লিংকৰ জৰিয়তে বিদ্যালয়সমূহক ছাত্ৰ-ছাত্ৰীসকলক খেল মহাৰণ যোগদান কৰিবলৈ কোৱা হৈছে। তদুপৰি এই কাৰ্যসূচী সফল কৰিবলৈ প্ৰতিখন বিদ্যালয়ৰ একোগৰাকী নডেল শিক্ষক নিয়োগ কৰিবলৈ কোৱা হৈছে। মন কৰিবলগীয়া যে অসম চৰকাৰে ১৩ নৱেম্বৰৰ পৰা অহা বছৰৰ ২৩ জানুৱাৰীলৈ দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ আয়োজন কৰিছে।

০০০০

মৰিগাঁও জিলা দিৱসৰ আজি দ্বিতীয় দিনা মৰিগাওঁ জিলাৰ অৰ্থনৈতিক বিকাশৰ সম্ভাৱনা সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। জিলাখনৰ অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ দিশত শিক্ষাৰ্থী তথা নৱপ্ৰজন্মক অনুপ্ৰাণিত কৰাৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। জিলাখনৰ আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত এই আলোচনা অনুষ্ঠানত আয়ুক্তগৰাকীয়ে শিক্ষাৰ্থীসকলক অঞ্চলটোৰ অগ্ৰগতিৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা লবলৈ আহ্বান জনায়। ইয়াৰ পাছতেই মতিৰাম বৰা আদৰ্শ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত জিলা দিৱস উপলক্ষে ছোৱালীৰ ফুটবল খেল অনুষ্ঠিত হয়। সন্ধিয়াৰ ভাগত সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০০

সমাপ্ত